প্ৰতিবেদনযোগ্য

**ভাৰতৰ উষ্চতম ন্যায়ালয়**

ফৌজদাৰী আপীল অধিকাৰ ক্ষেত্ৰ

ফৌজদাৰী আপীল নং ৪৪৮/২০১৯

(এছ্. এল. পি.(ফৌজদাৰী)নং ৩৬৫২/২০১৮ ৰ পৰা উদ্ভৱ হোৱা)

মানিক কুটুম ....আপীলকাৰী/ আপীলকাৰীবোৰ

বনাম

জুলি কুটুম .... প্ৰতিপক্ষ(প্ৰতিপক্ষগণ)

<u>**ৰায়**</u>

**ন্যায়াধীশ অভয় মনোহৰ চাপ্ৰে**

১। অনুমতি দিয়া হ'ল।

২) এই আপীল ০১.০৮.২০১৭ তাৰিখৰ গুৱাহাটী উষ্চ ন্যায়ালয়ে ফৌজদাৰী পুনৰীক্ষণ আবেদন নং ১০২/২০১২ত দিয়া ০১.০৮.২০১৭ তাৰিখৰ চূড়ান্ত ৰায় আৰু আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে, যিটো গোচৰত উষ্চ ন্যায়ালয়ে ইয়াত প্ৰতিপক্ষই দাখিল কৰা ফৌজদাৰী পুনৰীক্ষণ আবেদন নিষ্পত্তি কৰাৰ সময়ত, অসমৰ গোসাইগাঁওৰ মহকুমা ন্যায়িক ন্যায়াধীশে (এছডিএমজে) বিবিধ গোচৰ নং ২৮/২০০৯ত ২১/১১/২০১১ তাৰিখৰ দিয়া হুকুম বাতিল কৰিছিল আৰু প্ৰতিপক্ষই দাখিল কৰা আবেদনৰ ওপৰত নতুনকৈ সিদ্ধান্ত ল'বলৈ গোচৰটো এছডিএমজেলৈ প্ৰেৰণ কৰিছিল।

৩/ এই আপীল নিষ্পত্তিৰ বাবে কেইটামান তথ্য উল্লেখ কৰাৰ প্ৰয়োজন।

৪/ আপীলকাৰী আৰু প্ৰতিপক্ষ হ'ল স্বামী আৰু পত্নী। প্ৰতিপক্ষই (পত্নী) ফৌজদাৰী কাৰ্যবিধি, ১৯৭৩ৰ ১২৫ নং ধাৰাত আবেদন দাখিল কৰি আপীলকাৰী (স্বামী)ৰ পৰা নিজৰ আৰু নাবালক কন্যাৰ বাবে খোৰাকি দাবী কৰিছিল।

৫) ২১.১১.২০১১ তাৰিখৰ আদেশৰ জৰিয়তে এছডিজেএময়ে আবেদনখন আংশিকভাৱে অনুমতি দিছিল আৰু তেওঁৰ নাবালক কন্যাৰ খোৰাকি বাবদ প্ৰতিমাহে ২০০০/ টকা প্ৰদান কৰিছিল যদিও প্ৰতিপক্ষৰ নিজৰ বাবদ বিচৰা খোৰাকিৰ আবেদনখন এই ভিত্তিত নাকচ কৰিছিল ইয়াত প্ৰতিপক্ষ আপীলকাৰীৰ আইনীভাৱে বিবাহিত পত্নী নহয়। এই আদেশক প্ৰত্যাহ্বান জনাই প্ৰতিপক্ষই গুৱাহাটী উচ্চ ন্যায়ালয়ত পুনৰীক্ষণ আবেদন দাখিল কৰিছিল।

৬) বিবাদিত আদেশৰ জৰিয়তে উচ্চ ন্যায়ালয়ে আবেদনৰ নতুন সিদ্ধান্ত ল'বলৈ এছডিজেএমক গোচৰটো ঘূৰাই দিয়ে। গোচৰটো এছডিজেএমলৈ ঘূৰাই পঠোৱা বিবাদিত আদেশৰ সামৰণি অংশত তলত দিয়া ধৰণে লিখা আছে:

"বিদ্বান আদালতে গৃহীত কৰা বিবাদিত আদেশ ইয়াৰ দ্বাৰা বাতিল কৰা হ'ল। বিষয়টো বিদ্বান বিচাৰ আদালতলৈ ঘূৰাই পঠিওৱা হয় যাতে প্ৰতিপক্ষক (বিবিধ গোচৰত আবেদনকাৰী)ক বৰ্তমানৰ আপীলকাৰীৰ আইনীভাৱে বিবাহিত পত্নী বুলি ঘোষণা কৰা হয় আৰু কেৱল উপাৰ্জনৰ ভিত্তিত সঠিক প্ৰমাণ লিপিবদ্ধ কৰি খোৰাকিৰ পৰিমাণ নিৰ্ণয় কৰা হয় আৰু এই আদালতৰ এই নিৰ্দেশ লাভ কৰাৰ তিনি মাহৰ ভিতৰত আবেদনকাৰী তথা নাবালক শিশুক নতুনকৈ সঠিক খোৰাকি প্ৰদান কৰিব হয়। ইয়াৰ মাজতে আবেদনকাৰীক নিৰ্দেশ দিয়া হৈছে যে আদালতে বিষয়টোৰ নতুন সিদ্ধান্ত লোৱালৈকে পূৰ্বতে বিদ্বান বিচাৰ আদালতে প্ৰদান কৰা শিশুটিৰ প্ৰতি থকা সকলো বকেয়া খোৰাকিৰ ধন পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।"

৭) এই আদেশৰ বিৰুদ্ধে আপীলকাৰী(স্বামী)য়ে এই আদালতত বিশেষ অনুমতিৰ জৰিয়তে এই আবেদন আপীল দাখিল কৰিছে।

৮) আপীলকাৰীৰ বিদ্বান অধিবক্তা শ্ৰীমতী সীমা শৰ্মা আৰু প্ৰতিপক্ষৰ বিদ্বান অধিবক্তা শ্ৰীযুত সাহিল টাগোত্ৰৰ শুনা হ'ল।

৯) পক্ষসমূহৰ বিদ্বান অধিবক্তাসকলে প্ৰদৰ্শন কৰা যুক্তিবোৰ শুনাৰ পিছত আৰু গোচৰটোৰ নথি পৰ্যবেক্ষণ কৰাৰ পিছত, আমি বিতৰ্কিত আদেশটো সংশোধন কৰিবলৈ আৰু ইতিমধ্যে নাবালিকাগৰাকীৰ বাবে এছডিজেএমৰ দ্বাৰা প্ৰদান কৰা

খোৰাকিৰ পৰিমাণৰ লগতে আবেদনকাৰী (স্বামী) ৰ দ্বাৰা প্ৰতিপক্ষ (পত্নী) ক প্ৰদান কৰিবলগীয়া খোৰাকিৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলৈ আগ্ৰহী।

১০) আমাৰ বিবেচনা কৰা মতে, উচ্চ ন্যায়ালয়ে নতুন তদন্তৰ বাবে আৰু উত্তৰদাতা (পত্নী) ৰ বাবে খোৰাকি নিৰ্ধাৰণৰ বাবে গোচৰটো এছডিজেএমলৈ প্ৰেৰণ কৰাত ভুল কৰিছিল।

১১) যিহেতু উচ্চ ন্যায়ালয়ে বিবাদিত আদেশৰ ২২ নং অনুচ্ছেদত এই বুলি তথ্য লিপিবদ্ধ কৰিছে যে প্ৰতিপক্ষ আপীলকাৰীৰ আইনীভাৱে বিবাহিত পত্নী, তাৰ পিছতো গোচৰটো পুণৰ তদন্তৰ বাবে এছডিজেএমলৈ ঘূৰাই পঠিয়াব নালাগিছিল আৰু আৰু ইয়াৰ পৰিৱৰ্তে পুনৰীক্ষণ আবেদনখনতে আবেদনকাৰী (স্বামী)ৰ দ্বাৰা প্ৰতিপক্ষ (পত্নী) ক দিবলগীয়া খোৰাকিৰ পৰিমাণ নিৰ্ধাৰণ কৰা উচিত আছিল কাৰণ আমি দেখিবলৈ পাওঁ যে প্ৰতিপক্ষই কোনো উপাৰ্জন কৰা নাই আৰু নিজক ভৰণ-পোষণ কৰিবলৈ কোনো ধৰণৰ আয়ৰ কোনো স্বতন্ত্ৰ উৎস নাই।

12. আমি বিশ্বাস কৰোঁ যে এটা গোচৰ কেৱল তেতিয়াহে এছডিজেএমলৈ ঘূৰাই পঠিয়াব লাগে যেতিয়া পুনৰীক্ষণ পৰ্যায়ত সময়ত সমাধান কৰিব নোৱাৰা এটা সমস্যা সমাধানৰ বাবে বাস্তৱিক তদন্তৰ প্ৰয়োজন হয়। যেতিয়া এছ. ডি. জে. এম.-ৰ দ্বাৰা কিছুমান তথ্যগত বিষয়ত কোনো সিদ্ধান্ত লোৱা নহয় বা যেতিয়া এছ. ডি. জে. এম.-এ প্ৰথমে পৰীক্ষা কৰিবলগীয়া আপীল বা সংশোধন পৰ্যায়ৰ সময়ত নতুন প্ৰমাণ উপস্থাপন কৰা হয় তেতিয়াও এইটো প্ৰয়োজনীয়। ইয়াত সেই পৰিস্থিতি নাই কাৰণ ভৰণ-পোষণৰ সিদ্ধান্ত লোৱাৰ বাবে সকলো প্ৰয়োজনীয় তথ্য ইতিমধ্যে উপলব্ধ। ইয়াৰ বাবে, আমি ভাবো যে গোচৰটো এছডিজেএমলৈ ঘূৰাই পঠিওৱাৰ কোনো প্ৰয়োজন নাই কিয়নো ই কেৱল গোচৰ প্ৰক্ৰিয়াটো দীঘলীয়া কৰিব আৰু প্ৰতিপক্ষৰ (পত্নীৰ) প্ৰতি অন্যায় কৰা হব।

১৩) আমি অৱশ্যে গোচৰৰ নথিৰ পৰা দেখিবলৈ পাওঁ যে আপীলকাৰীয়ে আৰ পি এফত কনিষ্টবল হিচাপে কাম কৰি আছে। তেওঁৰ মাহিলী দৰমহা মাহে ৩০,০০০/ টকাৰ পৰা ৩৫,০০০/ টকাৰ ভিতৰত।

১৪) গোচৰৰ সকলো তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি আপীলকাৰীয়ে (স্বামী) প্ৰতিপক্ষ(পত্নী)ক মাহেকীয়া ভৰণ-পোষণ হিচাপে ৮,০০০/ (আঠ হাজাৰ টকা) নিৰ্ধাৰণ কৰাটো ন্যায্য আৰু উপযুক্ত বুলি বিবেচনা কৰোঁ।

১৫) আনকথাত আপীলকাৰীয়ে (স্বামী) মুঠ ১০,০০০/(দহ হাজাৰ) টকা প্ৰতিমাহে প্ৰতিপক্ষ (পত্নী)ক দিব, অৰ্থাৎ প্ৰতিবাদী (পত্নী)ৰ বাবে ভৰণ-পোষণৰ বাবদ ৮,০০০/ টকা আৰু নাবালক কন্যাৰ ভৰণ-পোষণৰ বাবদ ইতিমধ্যে এছডিজেএমৰ দ্বাৰা নিৰ্ধাৰণ কৰা ২,০০০/ টকা, যিটো আমি ন্যায়সংগত আৰু সঠিক বুলি সমৰ্থন কৰোঁ।

১৬) আপীলকাৰীয়ে ০১.০৩.২০১৯ তাৰিখৰ পৰা প্ৰতি মাহৰ ১ তাৰিখে প্ৰতিপক্ষ (পত্নী)ক ১০,০০০/ টকাৰ ধন নিয়মীয়াকৈ প্ৰদান কৰিব।

১৭) প্ৰতিবাদী(পত্নী)ৰ সপক্ষে বিবাদিত আদেশত পূৰ্বতে উল্লেখ কৰা পৰিৱৰ্তনৰ সৈতে এই আপীল নিষ্পত্তি কৰা হ'ল।

............................ন্যায়াধীশ

[অভয় মনোহৰ সপ্রে]

............................ন্যায়াধীশ

[দীনেশ মহেশ্বৰী]

নতুন দিল্লী; ০৭ মাৰ্চ, ২০১৯।

অনুবাদক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক